**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-08-2025 **Time :** 1845 Hrs.

***Assamese Evening Bulletin***
***Headlines***

০০০০০০০

১। বি টি চি নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলৰ তৎপৰতা। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ আজি কোকৰাঝাৰত জনসভাত অংশগ্ৰহণ।

২। তামুলপুৰৰ গোৰেশ্বৰ থানাৰ ভৰালী চ'কত দুৰ্ঘটনাক কেন্দ্ৰ কৰি উত্তেজিত লোকৰ আক্ৰমণত যুৱক নিহত হোৱা ঘটনা সন্দৰ্ভত দণ্ডাধীশ পৰ্যায়ৰ তদন্ত ঘোষণা।

৩। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৪৫৭ সংখ্যক তিৰোভাব তিথি উপলক্ষে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে গুৰুজনাৰ প্ৰতি শ্ৰদ্ধা নিবেদন।

৪। মণিপুৰৰ ৰাজ্যপাল অজয় কুমাৰ ভাল্লাৰ নাগালেণ্ডৰ ৰাজ্যপাল হিচাপে শপতগ্ৰহণ।

*আৰু*

৫। কমনৱেল্‌থ ভাৰোত্তোলন প্ৰতিযোগিতাৰ যুৱ শাখাত ধৰ্মজ্যোতি দেউঘৰীয়াৰ সোণৰ পদক অৰ্জন।

০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি কোকৰাঝাৰ জিলাৰ চালাকাতি পৰিষদীয় সমষ্টিৰ কালী পুখুৰীত বিজয় সংকল্প সমাৰেশত অংশগ্ৰহণ কৰে। আসন্ন বি টি চি নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰীয়ে জনসাধাৰণক উদ্দেশি দিয়া ভাষণত বি টি আৰৰ শান্তি-সম্প্ৰীতি বৰ্তাই ৰখাৰ বাবে চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দোহাৰে। তেওঁ কয়, যে দীৰ্ঘদিনৰ অশান্ত পৰিস্থিতিৰ পাছত বি টি আৰত প্ৰতিষ্ঠা হোৱা শান্তি অক্ষুণ্ণ ৰখাৰ লগতে সৰ্বাত্মক উন্নয়ন আৰু সকলো স্তৰৰ জনসাধাৰণক সম সুবিধা প্ৰদানৰ লক্ষ্যৰে চৰকাৰে প্ৰচেষ্টা চলাই আছে। তেওঁ কয়, যে অহা ২৮ আগষ্টৰ ভিতৰত বিজেপিয়ে বি টি চি নিৰ্বাচনৰ বাবে কিমানখন আসনত প্ৰাৰ্থী দিব সেই বিষয়ে চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰিব। দুই-এদিনৰ ভিতৰতে নিৰ্বাচনী আৰ্হি আচৰণবিধি বলৱৎ হ'ব আৰু চৰকাৰী অধিসূচনা জাৰি কৰাৰ ৪৮ ঘণ্টাৰ ভিতৰতে বিজেপিয়ে প্ৰাৰ্থী তালিকা প্ৰকাশ কৰিব। আজি মুখ্যমন্ত্ৰীৰ সৈতে এই সভাত মন্ত্ৰী অশোক সিংহল আৰু দলৰ কেইবাগৰাকীও জ্যেষ্ঠ নেতা উপস্থিত থাকে।

০০০০০০০

যোৱা ২০ আগষ্টত তামুলপুৰ জিলাৰ গোৰেশ্বৰ আৰক্ষী থানাৰ অন্তৰ্গত সুৱাগপুৰ ভৰালী চ'কত এটা দুৰ্ঘটনাক কেন্দ্ৰ কৰি উত্তেজিত গাঁওবাসীৰ আক্ৰমণত অভিষেক দাস নামৰ এজন ২৩ বছৰীয়া যুৱক নিহত হোৱা ঘটনা সম্পৰ্কত তামুলপুৰৰ জিলা দণ্ডাধীশে এটা দণ্ডাধীশ পৰ্যায়ৰ তদন্তৰ নিৰ্দেশ দিছে। জিলা দণ্ডাধীশ পংকজ চক্ৰৱৰ্তীয়ে এই ঘটনা সম্পৰ্কত সংবাদ মাধ্যমত প্ৰকাশিত বাতৰি আৰু জনসাধাৰণৰ মাজত সৃষ্টি হোৱা ক্ষোভৰ পৰিপ্ৰেক্ষিতত গোৰেশ্বৰৰ চক্ৰ বিষয়া ত্ৰিলিনা টাইডক পুংখানুপুংখ তদন্ত কৰি শীঘ্ৰেই প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিছে।

**বাইট (পংকজ চক্ৰৱৰ্তী)**

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে যোৱা ২০ আগষ্টৰ বিয়লিৰ ভাগত জিলাখনৰ কচুকাটা গাঁৱৰ অৱসৰপ্ৰাপ্ত সৈনিক দীপক দাসৰ একমাত্ৰ পুত্ৰ অভিষেক দাসে তেওঁৰ চাৰিজন বন্ধুৰ সৈতে তেওঁৰ নিজা গাড়ীৰে বগামাটিৰ পৰা উভতি অহাৰ সময়ত বাহনখনে নিয়ন্ত্ৰণ হেৰুৱাই প্ৰথমে এখন তিনিচুকীয়া বাহন আৰু পাছত এখন দোকানত খুন্দা মাৰে। এই ঘটনাৰ খবৰ পাই একাংশ লোক উপস্থিত হয় আৰু গাড়ীচালকৰ আসনত থকা অভিষেকক ওচৰৰ এঠাইলৈ টানি নি মাৰধৰ কৰে। উন্মত্ত লোকৰ আক্ৰমণত গুৰুতৰভাৱে আহত অভিষেকক আৰক্ষীয়ে

চিকিৎসাৰ বাবে ৰঙিয়ালৈ আনে যদিও আদবাটতে যুৱকজনৰ মৃত্যু হয়। অভিষেক দাসৰ পিতৃয়ে এই ঘটনা সন্দৰ্ভত তামুলপুৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে। ২০১৮ চনত কাৰ্বি আংলঙত অভি-নীল হত্যাকাণ্ডৰ দুঃসহ স্মৃতি সোঁৱৰাই দিয়া এই ঘটনা সন্দৰ্ভত সমগ্ৰ ৰাজ্যতে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

০০০০০০০

কেন্দ্ৰীয় চৰকাৰৰ গৃহ মন্ত্ৰালয়ে তিনিচুকীয়া জিলাৰ ডিগবৈ থানাক ৰাজ্যৰ শ্ৰেষ্ঠ থানা হিচাপে বাছনি কৰিছে। কাইলৈ অসম আৰক্ষী সঞ্চালক প্ৰধানৰ কাৰ্যালয়ত ডিগবৈ থানাক শ্ৰেষ্ঠ থানা হিচাপে প্ৰশংসা পত্ৰ প্ৰদান কৰিব। অসম আৰক্ষীৰ পৰিদৰ্শনক দিব্যজ্যোতি দত্তই ডিগবৈ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া হিচাপে দায়িত্ব পালন কৰি আছে। বিষয়াগৰাকীৰ নেতৃত্বত ডিগবৈ অঞ্চলত অপৰাধমূলক কামকাজ হ্ৰাস পোৱাৰ উপৰি কেইবাটাও অঞ্চলত সজাগতাৰ সৃষ্টি হৈছে।

০০০০০০০

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আজি ৪৫৭ সংখ্যক তিৰোভাব তিথি উপলক্ষে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে গুৰুজনাৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি ধৰ্মীয় কাৰ্যসূচী অনুষ্ঠিত হৈছে। গুৰুজনাৰ তিথি উপলক্ষে আজি ৰাজ্যৰ নামঘৰ আৰু সত্ৰসমূহত পুৱাৰে পৰা হৰিনামৰ পৱিত্ৰ ধ্বনিৰে মুখৰ হৈ উঠে।

মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ স্থাপিত ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰত যোৱা ১৯ আগষ্টৰ পৰা আয়োজন কৰা গুৰুজনাৰ কীৰ্তন মহোৎসৱৰ আজি মূল সবাহ অনুষ্ঠিত হ'ব। তিৰোভাব তিথি উপলক্ষে বৰপেটাৰ বৃন্দাবন হাটীৰ ভকতবৃন্দই বিয়লি বৰপেটা সত্ৰত কৰভাৰ প্ৰদান কৰিব। এই উপলক্ষে বৃন্দাবন হাটীৰ হাটীয়াৰ ঘৰৰ পৰা ওজাপালি, গায়ন-বায়ন, নাম-কীৰ্তনীয়া দলে সত্ৰীয়া পৰম্পৰা অনুসৰি শোভাযাত্ৰা কৰি তেল, নিমখ, ঔটেঙা, চাউল, কোমোৰা আদি কৰভাৰ প্ৰদান কৰিব। একেদৰে পাটবাউসী থানতো এই তিথি পালন কৰা হৈছে।

গুৰুজনাৰ জন্মস্থান নগাঁৱৰ বটদ্ৰৱা সত্ৰতো আজি তিৰোভাব তিথি পালন কৰা হৈছে। এই উপলক্ষে নাম-কীৰ্তন, প্ৰসংগ আদি অনুষ্ঠিত হৈছে। এই সন্দৰ্ভত নগাঁৱৰ পৰা এয়া আমাৰ সংবাদদাতা মুনীন্দ্ৰ শইকীয়া- (***ভইচ***)

মাজুলীতো আজি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাব তিথি উপলক্ষে সত্ৰ-নামঘৰসমূহ সুন্দৰকৈ সজাই-পৰাই তোলা হৈছে। মাজুলীৰ ৩৩ খন সত্ৰ আৰু প্ৰায় তিনি শতাধিক নামঘৰত গুৰুজনাৰ তিথি উপলক্ষে হৰিনাম, কীৰ্তনৰ অমিয়া ধ্বনিৰে আকাশ-বতাহ মুখৰ হৈ পৰিছে।

গোলাঘাটৰ ঐতিহ্য মণ্ডিত শ্ৰীশ্ৰী আঠখেলীয়া নামঘৰতো আজি মহাপুৰুষজনৰ তিৰোভাব তিথি উপলক্ষে অগণন ভক্তৰ আগমন ঘটিছে। বৰাক উপত্যকাটো আজি জগতগুৰু শ্ৰীমন্ত শংকৰদেৱৰ ৪৫৭ সংখ্যক তিৰোভাব তিথি উপলক্ষে ভক্তসকলে ধৰ্মীয় কাৰ্যসূচী অনুষ্ঠিত কৰে। শ্ৰী ভূমি জিলাৰ বৰগোলৰ শ্ৰীমন্ত শংকৰদেৱ নামঘৰত আজি এই উপলক্ষে নাম-প্ৰসংগ আৰু অন্যান কাৰ্যসূচী ৰূপায়ণ কৰা হয়। গুৱাহাটী মহানগৰীৰ নামঘৰসমূহতো আজি গুৰুজনাৰ তিৰোভাব তিথি পালন কৰা হয়।

গোৱালপাৰাৰ বগুৱানৰ শ্ৰীশ্ৰী হাটী সত্ৰ আৰু শ্ৰীশ্ৰী শ্যামৰায় সত্ৰত গুৰুজনাৰ তিৰোভাব তিথি পালন কৰা হয়। বজালী জিলাৰ ভৱানীপুৰ সত্ৰতো মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাব তিথি উপলক্ষে কীৰ্তন মহোৎসৱ অনুষ্ঠিত হৈছে। কামৰূপ জিলাৰ বকোৰ চমৰিয়া সত্ৰ, শুৱালকুছিৰ শ্ৰী ঈশ্বৰ হাতীসত্ৰৰ লগতে প্ৰতিখন সত্ৰ নামঘৰত আধ্যাত্মিক ৰীতি-নীতিৰে তিৰোভাৱ তিথি পালন কৰা হৈছে। হাতী সত্ৰত সাদিনীয়াকৈ এই তিথি পালন কৰা হৈছে। এই উপলক্ষে ভকত আৰু আয়তীসকলে নাম-প্ৰসঙ্গ পৰিৱেশন কৰিছে।

কোচ বিহাৰৰ মধুপুৰ সত্ৰত আজি দিনজোৰা কাৰ্যসূচীৰে মহাপুৰুষজনাৰ তিৰোভাব তিথি পালন কৰা হয়। পুৱা সাত বজাত প্ৰসংগ প্ৰণালীৰে কাৰ্যসূচীৰ পাতনি মেলা হয়। ইয়াৰ পাছতে ভাগৱত পাঠ, আয়তীসকলৰ নাম আৰু আবেলি ৪ বজাত থিয় নাম প্ৰদৰ্শন কৰা হয়।

হোজাই জিলাতো আজি মহাপুৰুষজনাৰ তিৰোভাৱ তিথি ভক্তি সহকাৰে পালন কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই গুৰুজনাৰ তিৰোভাব তিথি উপলক্ষে সশ্ৰদ্ধ প্ৰণিপাত জনাইছে।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰত আজি এটা মহিলাৰ বিশ্ৰাম কোঠা আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। আকাশবাণীৰ উত্তৰ পূৰ্বাঞ্চলৰ অতিৰিক্ত সঞ্চালক প্ৰধান আশীষ ভাটনাগৰে উদ্বোধন কৰা এই শীতোতাপযুক্ত বিশ্ৰাম কোঠাত মহিলা বিষয়া-কৰ্মচাৰীসকলে বিশ্ৰাম লোৱাৰ লগতে তেওঁলোকৰ উদ্ভাৱনী প্ৰতিভাৰ বিকাশ ঘটোৱাতো সহায়ক হ'ব। এই উপলক্ষে দিয়া চমু ভাষণত শ্ৰীভাটনাগৰে মহিলাসকলক যিকোনো এটা সংস্থাৰ মূল চালিকাশক্তি বুলি অভিহিত কৰে আৰু তেওঁলোকৰ কৰ্মস্থলত উপযুক্ত জিৰণিৰ আৱশ্যকতাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

**বাইট (আশীষ ভাটনাগৰ)**

এই অনুষ্ঠানত আকাশবাণী গুৱাহাটীৰ উপ-সঞ্চালক প্ৰধান ৱালিউল্লা খান, আন দুগৰাকী উপ-সঞ্চালক প্ৰধান - ৰবীন চন্দ্ৰ বড়ো আৰু সঞ্জীৱ শ্ৰীবাস্তৱ, অনুষ্ঠান শাখাৰ মুৰব্বী কৰ্দোলিন থাংকিউ আৰু বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰো উপস্থিত থাকে।

০০০০০০০

মণিপুৰৰ ৰাজ্যপাল অজয় কুমাৰ ভাল্লাই আজি নাগালেণ্ডৰ ২২ সংখ্যক ৰাজ্যপাল হিচাপে শপতগ্ৰহণ কৰিছে। ক'হিমাৰ ৰাজভৱনত আয়োজিত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আশুতোষ কুমাৰে শ্ৰী ভাল্লাক শপতবাক্য পাঠ কৰোৱায়। যোৱা ১৫ আগষ্টত নাগালেণ্ডৰ ৰাজ্যপাল লা গণেশনৰ বিয়োগৰ পৰিপ্ৰেক্ষিতত শ্ৰী ভাল্লাক ৰাজ্যখনৰ অতিৰিক্ত দায়িত্ব অৰ্পণ কৰা হৈছিল। আজি শপতগ্ৰহণ অনুষ্ঠানত নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেইফিঅ' ৰিঅ', উপ-মুখ্যমন্ত্ৰী টি আৰ জেলিয়াং, ৱাই পেট্টান, সাংসদ মন্ত্ৰী আৰু বিধায়কসকল উপস্থিত থাকে। শপতগ্ৰহণৰ পাছত শ্ৰী ভাল্লাই  ৰাজ্যিক মন্ত্ৰীসভাৰ সদস্যসকলৰ সৈতে মত বিনিময় কৰে। ইয়াৰ পাছত তেওঁ কহিমা যুদ্ধ স্মাৰকলৈ গৈ ছহিদ সেনানীসকলৰ স্মৃতিত শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে।

০০০০০

আসন্ন বিটিচি পৰিষদীয় নিৰ্বাচনক লৈ বিভিন্ন ৰাজনৈতিক দলে বি টি আৰৰ অন্তৰ্গত জিলা কেইখনত তৎপৰতা অব্যাহত ৰাখিছে। ইউ পি পি এল দলে আজি কোকৰাঝাৰত সুসংগত বড়োলেণ্ড শীৰ্ষক এটা সমদলৰ আয়োজন কৰে। কোকৰাঝাৰ চৰকাৰী উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ পৰা এই সমদল শুভাৰম্ভ কৰা হয়। বি টি আৰৰ মুখ্য কাৰ্যবাহী সহস্য আৰু ইউ পি পি এলৰ সভাপতি প্ৰমোদ বড়ো, মন্ত্ৰী ঊৰ্খাও গৌৰা ব্ৰহ্ম, সাংসদ জয়ন্ত বসুমতাৰী, বিধায়ক লৰেন্স ইছলাৰীকে ধৰি কেইবাগৰাকীও নেতাই সমদলত অংশ লয়। জনসাধাৰণক সম্বোধন কৰি বি টি চিৰ মুখ্য কাৰ্যবাহী সদস্য শ্ৰী বড়োৱে কয়, যে বড়োলেণ্ডবাসীয়ে এতিয়া দুঃচিন্তা আৰু উদ্বিগ্নতামুক্ত জীৱন যাপন কৰিবলৈ সমৰ্থ হৈছে। মন্ত্ৰী ঊৰ্খাও গৌৰা ব্ৰহ্মই বড়োলেণ্ডৰ বিভিন্ন জনগোষ্ঠীৰ মাজত কোনো সংঘাট নাই বুলি মন্তব্য কৰে।

ইপিনে এই নিৰ্বাতনৰ বাবে ভোটাৰ্ছ পাৰ্টী ইণ্টাৰনেচনেলে আজি ৩০ জনীয়া প্ৰথমখন প্ৰাৰ্থী তালিকা প্ৰকাশ কৰিছে। দলৰ কেন্দ্ৰীয় উপ-সভাপতি ললিত পেগুৰ উপস্থিতিত ৰাজ্যিক সভাপতি তৰণী বসুমতাৰীয়ে চিৰাং জিলা প্ৰেছ ক্লাবত এয়োজিত সংবাদমেলত এই তালিকা ঘোষণা কৰে।

০০০০০

পৰিকল্পনা আয়োগৰ প্ৰাক্তন সদস্যা চৈয়দা হামিদে কালি গুৱাহাটীত এখন নাগৰিক সভাত অংশ লৈ বাংলাদেশী নাগৰিক সন্দৰ্ভত আগবঢ়োৱা বিতৰ্কিত মন্তব্যক লৈ ৰাজ্যজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। বিভিন্ন দল-সংগঠনে আজি এই মন্তব্যৰ বিৰোধিতা কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰাৰ লগতে নিজৰ স্থিতি স্পষ্ট কৰি কয়, যে অসম অনুপ্ৰৱেশকাৰীৰ আশ্ৰয়স্থল নহয়। কোনো কাৰণতে তেওঁলোকক বৈধতা প্ৰদান কৰা

নহ'ব বুলি প্ৰকাশ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে চৈয়দা হামিদৰ দৰে ব্যক্তিসকলে এই অনুপ্ৰৱেশকাৰীসকলক বৈধতা প্ৰদানৰ অপচেষ্টা অব্যাহত ৰাখিছে। উল্লেখযোগ্য যে, পৰিকল্পনা আয়োগৰ প্ৰাক্তন সদস্যাগৰাকীয়ে অসমত বাংলাদেশী থাকিলেও কাৰো অধিকাৰ খৰ্ব কৰা নাই বুলি মন্তব্য কৰিছে। এই মন্তব্যক লৈ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি মন্ত্ৰী অতুল বৰাই বাংলাদেশৰ পৰা হোৱা অবাধ প্ৰব্ৰজন ৰোধ আৰু অবৈধ বিদেশী বহিষ্কাৰৰ দাবীৰে অসম আন্দোলন হৈছিল। এই আন্দোলনত ৮৬০ গৰাকী ছহিদ হৈছিল। শ্ৰী বৰাই এই মন্তব্যৰ বাবে চৈয়দা হামিদক অসমবাসীৰ ওচৰত ক্ষমা বিচাৰিবলৈ দাবী জনায়।

*(বাইট ঃ অতুল বৰা)*

ইপিনে, এই মন্তব্যক লৈ ৰাজ্যিক বিজেপিৰ মুখ্য মুখপাত্ৰ কিশোৰ উপাধ্যায়ে আজি দলৰ কাৰ্যালয়ত এখন সংবাদমেলত প্ৰতিক্ৰিয়া ব্যক্ত কৰে। চৈয়দা হামিদৰ এই মন্তব্যই বিগত ৭০ বছৰে ৰাজ্যত কংগ্ৰেছৰ শাসন কালত অবৈধ দখল চলাৰ প্ৰমাণ দিলে বুলিও তেওঁ মন্তব্য কৰে।

বিৰোধী দল কংগ্ৰেছে নেত্ৰীগৰাকীৰ এই মন্তব্যৰ বিৰোধিতা কৰিছে। বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই সংবাদমেলত এই বিষয়ে প্ৰকাশ কৰি এনে ধৰণৰ মন্তব্য কৰা উচিত নহয় বুলি উল্লেখ কৰে। তেওঁ বিজেপি নেতৃত্বাধীন চৰকাৰকো সমালোচনা কৰে। সাংসদ গৌৰৱ গগৈয়েও ৰাজ্যখনত বাংলাদেশী নাগৰিকক স্থান দিয়াৰ বিৰোধিতা কৰে। অৱশ্যে এই ক্ষেত্ৰত চৰকাৰে স্পষ্টভাৱে তথ্য দিয়া উচিত বুলি তেওঁ উল্লেখ কৰে।

০০০০০০০

গুজৰাটৰ আহমেদাবাদত আজিৰে পৰা আৰম্ভ হোৱা কমনৱেল্থ ভাৰোত্তোলন প্ৰতিযোগিতাৰ যুৱ শাখাত ৰাজ্যৰ প্ৰতিভাৱান ভাৰোত্তোলক ধৰ্মজ্যোতি দেউঘৰীয়াই সোণৰ পদক অৰ্জন কৰিছে। যুৱ শাখাৰ ৫৬ কিলোগ্ৰাম শিতানত ধৰ্মজ্যোতিয়ে স্নেট্চত ৯৭ কিলোগ্ৰাম আৰু ক্লিন এণ্ড জাৰ্কত ১২৭ কিলোগ্ৰামেৰে মুঠ ২২৪ কিলোগ্ৰাম ভাৰোত্তোলন কৰি সোণৰ পদক লাভ কৰে। নিজৰ খেলুৱৈ জীৱনৰ প্ৰথমখন কমনৱেল্থ প্ৰতিযোগিতাতে স্বৰ্ণ জয় কৰি ধৰ্মজ্যোতিয়ে অনবদ্য সফলতা অৰ্জন কৰিলে। তেওঁ লগতে স্নেট্চ শিতানত প্ৰতিযোগিতাখনৰ নতুন অভিলেখো গঢ়ে। ধৰ্মজ্যোতিৰ এই গৌৰৱময় সাফল্যৰ বাবে অসম ভাৰোত্তোলন সন্থাৰ সভাপতি তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে খেলুৱৈগৰাকীক শুভেচ্ছা জনাইছে। এইবাৰৰ প্ৰতিযোগিতাৰ ধৰ্মজ্যোতিৰ উপৰিও আন চাৰিগৰাকী ভাৰোত্তোলক ভাৱনা গগৈ, হেমন্ত দৈমাৰী, অভিনৱ গগৈ আৰু বেদব্ৰত ভৰালীয়েও দেশৰ হৈ প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

০০০০০০০

**সমাপ্ত**